নিশ্চয় মুমিন ব্যক্তিয়ে নিজৰ সদাচৰণৰ বাবে চওম পালনকাৰী আৰু চালাত আদায়কাৰী ব্যক্তিৰ দৰে মর্যাদা লাভ কৰে।

আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত তেওঁ কৈছে, মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ নিশ্চয় মুমিন ব্যক্তিয়ে নিজৰ সদাচৰণৰ বাবে চওম পালনকাৰী আৰু চালাত আদায়কাৰী ব্যক্তিৰ দৰে মর্যাদা লাভ কৰে।
[অন্যান্য হাদীছৰ সমৰ্থনত ছহীহ] [(আবু দাঊদ, আহমদ)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, সৎচৰিত্ৰই মানুহক গোটেই দিন ৰোজা ৰখাৰ আৰু ওৰে ৰাতি নামাজ পঢ়াৰ মৰ্যাদালৈ উন্নীত কৰে। সৎচৰিত্ৰৰ দ্বাৰা বুজোৱা হৈছেঃ সৎকৰ্ম কৰা, উত্তম কথা কোৱা, হাঁহিমুখে মানুহৰ লগত সাক্ষাৎ কৰা, কাকো কষ্ট নিদিয়া, আনে দিয়া কষ্টত ধৈৰ্য্য ধাৰণ কৰা আদি।

http://www.sunnah.global/hadeeth/as/show/5799